ৰাজনীতি

কথাতকৈ কামত গুৰুত্ব দিয়ক: ইমৰান মাছুদক খার্গেৰ নির্দেশ

উত্তৰ প্রদেশৰ ২০২৭ চনৰ নির্বাচনৰ পূর্বে সাংসদ ইমৰান মাছুদক কথাতকৈ কামত অধিক গুৰুত্ব দিবলৈ আহ্বান জনালে কংগ্রেছ সভাপতি মল্লিকার্জুন খার্গেই।

প্রকাশ: ২৬ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৯



লক্ষ্ণৌ, ২৬ নৱেম্বৰ: উত্তৰ প্রদেশত ২০২৭ চনৰ বিধানসভা নির্বাচনৰ পূর্বে সমাজবাদী পার্টী আৰু কংগ্রেছৰ মাজত আসন ভাগ-বতৰাৰ আলোচনা চলি থকাৰ মাজতে দলৰ সাংসদ ইমৰান মাছুদক লৈ গুৰুত্বপূর্ণ মন্তব্য কৰিছে কংগ্রেছৰ ৰাষ্ট্রীয় সভাপতি মল্লিকার্জুন খার্গেই। কথাতকৈ কামত অধিক গুৰুত্ব দিবলৈ আহ্বান জনাই খার্গেই কয় যে দলৰ সকলো নেতাই একেলগে কাম কৰিলেহে দলৰ অগ্রগতি সম্ভৱ হ'ব।

বৃহস্পতিবাৰে লক্ষ্ণৌত কংগ্রেছৰ কার্যালয়ত অনুষ্ঠিত ‘সংবিধান ৰক্ষা সন্মিলন’ত ভাষণ দি কংগ্রেছ সভাপতিগৰাকীয়ে কয় যে টেলিভিছনত তেওঁ প্রায়ে সাংসদ ইমৰান মাছুদক আবেগিকভাৱে দলৰ হৈ কথা কোৱা শুনে। কিন্তু কেৱল কথা কোৱাতকৈ কামৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। অৱশ্যে সংসদত মাছুদে নিয়মীয়াকৈ কংগ্রেছৰ পক্ষত মাত মাতি আহিছে আৰু দলৰ স্থিতি দাঙি ধৰিবলৈ চেষ্টা চলাইছে বুলিও তেওঁ উল্লেখ কৰে।

খার্গেৰ এই মন্তব্যৰ পিছতে প্রতিক্রিয়া প্রকাশ কৰিছে সাংসদ ইমৰান মাছুদে। তেওঁ কয় যে কংগ্রেছ সভাপতিগৰাকীৰ মন্তব্যত অহংকাৰৰ বিৰুদ্ধে এক স্পষ্ট বার্তা নিহিত হৈ আছে। দেশৰ এগৰাকী জ্যেষ্ঠ নেতা তথা দলৰ সভাপতি হিচাপে খার্গেৰ বক্তব্য সকলোৱে গুৰুত্বসহকাৰে গ্রহণ কৰা উচিত বুলিও মাছুদে মন্তব্য কৰে।

© 2026 NewzNow

উত্তৰ প্ৰদেশত সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ মাজত আসন ভাগ-বতৰাৰ আলোচনা চলি থকাৰ সময়তে সমাজবাদী পাৰ্টীয়ে দিয়া ২৬খন আসনৰ প্ৰস্তাৱক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছিল মাছুদে। তেওঁৰ মতে, কংগ্ৰেছক মাত্ৰ ২৬খন আসন দিয়াৰ প্ৰস্তাৱ কোনো কাৰণতে গ্ৰহণযোগ্য নহয় আৰু কংগ্ৰেছ কাৰো ওচৰত ভিক্ষা বিচৰা দল নহয়।

ইয়াৰ পূৰ্বে কংগ্ৰেছৰ সৈতে আসন ভাগ-বতৰাৰ আলোচনা চলি থকাৰ মাজতে সমাজবাদী পাৰ্টীয়ে বিধানসভা নিৰ্বাচনৰ বাবে পাঁচগৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। এই পদক্ষেপক লৈও আপত্তি দৰ্শাইছিল মাছুদে। কংগ্ৰেছৰ সৈতে বুজাবুজি চলি থকাৰ সময়তে সমাজবাদী পাৰ্টীয়ে নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰি মিত্ৰতাৰ আন্তৰিকতাক লৈ প্ৰশ্ন তুলিছে বুলি তেওঁ অভিযোগ কৰে।

কংগ্ৰেছে উত্তৰ প্ৰদেশত ৬০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনাক লৈও মাছুদে প্ৰশ্ন উত্থাপন কৰিছিল। তেওঁৰ মতে, দলটোক সাংগঠনিকভাৱে শক্তিশালী কৰা আৰু নিজস্ব ৰাজনৈতিক উপস্থিতি গঢ়ি তোলাটোৱেই এতিয়া মূল লক্ষ্য হোৱা উচিত। দুয়োটা দলৰ মাজত আসন ভাগ-বতৰাৰ সন্দৰ্ভত এতিয়ালৈকে কোনো চূড়ান্ত বুজাবুজি হোৱা নাই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6692/mallikarjun-kharge-imran-masood-congress-uttar-pradesh